নিশ্চয় পৃথিৱী হৈছে সুমধুৰ সেউজ-শ্যামল। এই কথাও নিশ্চিত যে, আল্লাহে তোমালোককে ইয়াৰ উত্তৰাধিকাৰী বনাইছে, যাতে তেওঁ তোমালোকক চাব পাৰে যে, তোমালোকে কেনেকুৱা আমল কৰা। গতিকে পাৰ্থিৱ বিষয় সম্পৰ্কে সতৰ্ক থাকিবা আৰু নাৰীৰ পৰাও সতৰ্ক থাকিবা।

আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "নিশ্চয় পৃথিৱী হৈছে সুমধুৰ সেউজ-শ্যামল। এই কথাও নিশ্চিত যে,
আল্লাহে তোমালোককে ইয়াৰ উত্তৰাধিকাৰী বনাইছে, যাতে তেওঁ তোমালোকক চাব পাৰে যে, তোমালোকে কেনেকুৱা আমল কৰা। গতিকে পাৰ্থিৱ বিষয় সম্পৰ্কে সতৰ্ক থাকিবা আৰু নাৰীৰ পৰাও সতৰ্ক থাকিবা। কিয়নো বনী ইছৰাঈলৰ প্ৰথম ফিতনা আছিল নাৰীৰ ফিতনা।"
[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, পৃথিৱীৰ সোৱাদ হৈছে মিঠা, দেখাত হৈছে সেউজ-শ্যামল। ফলত মানুহে ইয়াৰ মোহত পৰি প্ৰৱঞ্চনাৰ চিকাৰ হয় আৰু ইয়াত ইমানেই নিমগ্ন হৈ পৰে যে, ইয়াকেই নিজৰ সমগ্ৰ মনোযোগৰ কেন্দ্ৰবিন্দু বনাই লয়। অথচ আল্লাহে এই পৃথিৱীত আমাৰ মাজৰ কিছুমানক আন কিছুমানৰ উত্তৰাধিকাৰী বনাইছে, যাতে তেওঁ এইটো নিৰীক্ষা কৰিব পাৰে যে, আমি কেনেকুৱা আমল কৰোঁ। অৰ্থাৎ আমি তেওঁৰ আনুগত্য কৰোঁ নে অবাধ্যতা কৰোঁ। ইয়াৰ পিছত তেখেতে কৈছেঃ তোমালোকে সতৰ্ক থাকিবা, পৃথিৱীৰ সা- সামগ্ৰী আৰু ইয়াৰ মনোমোহা সৌন্দৰ্য্যই যাতে তোমালোকক প্ৰৱঞ্চনা কৰিব নোৱাৰে। অন্যথা ই তোমালোকক আল্লাহৰ আদেশ পালনত বাধা প্ৰদান কৰিব আৰু তেওঁৰ নিষেধকৃত বিষয়সমূহত লিপ্ত হ'বলৈ উৎসাহিত কৰিব। পৃথিৱীৰ যিবোৰ ফিতনাৰ পৰা সকলোতকৈ বেছি সতৰ্ক থকা জৰুৰী, তাৰে আটাইতকৈ ডাঙৰ ফিতনাটো হৈছে নাৰীৰ ফিতনা। কাৰণ বনী ইছৰাঈলৰ প্ৰথম ফিতনাটোৱে আছিল নাৰীৰ ফিতনা।

https://sunnah.global/hadeeth/as/show/3053